# প্ৰাৰ্থনা সম্ভাৰ

## সপ্তৰ্ষি গুৰুকুল
## মটীয়াবাৰী, মাজুলী

# প্ৰাৰ্থনা - ১
## সোমবাৰ

ওঁম.........ওঁম........ওঁম.........

ওঁম তৎ সত্ শ্ৰী নাৰায়ন তু
পুৰুযোত্তম গুৰু তু
শুদ্ধ বুদ্ধ তু স্কন্ধ বিনায়ক
সবিতা পাৱত তু
সবিতা পাৱত তু

বাসুদেৱ তু, গুৰু ৰূপ তু
চিদানন্দ হৰি তু
শুদ্ধ বুদ্ধ তু স্কন্ধ বিনায়ক
সবিতা পাৱত তু
সবিতা পাৱত তু

ৰুদ্ৰ বিষ্ণু তু, ব্ৰহ্ম শক্তি তু
চিদানন্দ হৰি তু
শুদ্ধ বুদ্ধ তু স্কন্ধ বিনায়ক
সবিতা পাৱত তু
সবিতা পাৱত তু

সৰ্বে ভৱন্তু সুখী নমঃ
সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰানি পাশ্চন্তু
মাঁ কচিৎ দুখঃ
ভাব ভৱেত ।
ওঁম শান্তিঃ শান্তিঃ শান্তিঃ

******************************

# প্ৰাৰ্থনা - ২

## মঙ্গলবাৰ

মুক্তিত নিস্পৃহ যিটো          সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি          নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।।

যাৰ ৰাম কৃষ্ণ নাম          নাৱে ভৱ সিন্ধু তৰি
পাৱে পৰম পদ পাপী যত।
সদানন্দ সনাতন          হেনয় কৃষ্ণক সদা
উপাসা কৰোহো হৃদয়ত।।

মৎস্য কুৰ্ম নৰসিংহ          বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ          আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম।।

*****************

স্থাপিত ঃ ২০২২ চন

# প্ৰাৰ্থনা - ৩

## বুধবাৰ

নমো নমো সৰস্বতী জগত জননী।
তুষ্ট হোৱা জগত মাতা বেদ প্ৰচাৰিণী।।

লক্ষ্মী ৰূপে নাৰায়ণী গৰুড় বাহিনী।
তুমি দুৰ্গা দশভূজা শিৱৰ ভাৰিণী।।

ৰাধা ৰূপে ৰসেশ্বৰী তুমি বিনোদিনী।
সাৱিত্ৰী ৰূপেৰে তুমি ব্ৰহ্মাৰ গৃহিণী।।

সৰস্বতী ৰূপে তুমি কণ্ঠ বিহাৰিণী।
হৰিপ্ৰিয়া তুমি মাতা জননী গায়ত্ৰী।।

বিশ্ব বিনোদিনী মাতৃ তুমি জগধাত্ৰী।
আমি অতি মূঢ়মতি নাজানো ভকতি।।
আপোনাৰ গুণে তুষ্ট হোৱা ভগৱতী।।

**********************

# প্ৰাৰ্থনা - ৪
## বৃহস্পতিবাৰ

তুমি চিত্ৰ বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দুৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।।

তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষিকেশ।
দান্তে তৃণ তুলি লঁও যিমতে সেৱাত ৰঁও
দিয়ো মোক সেহি উপদেশ।।

তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আঁৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ।।

নাজানোহো আৱাহন নাজানোহো বিসৰ্জন
পূজা মন্ত্ৰ নাজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণত
মোৰ গতি সাধিবে উচিত।।

**********************

# প্ৰাৰ্থনা - ৫
## শুক্ৰবাৰ

জয় যদুনন্দন মুনিজন বন্দন
ৰাম নাৰায়ণ নিৰঞ্জন।
গোপাল গোবিন্দ হৰি দীন জন দুখঃ হাৰী
তুহু দেৱ নন্দেৰ নন্দন।।

মুকুন্দ মূৰাৰী ৰাম গোপাল গোপতি শ্যাম
শঙ্খ-চক্ৰ, গদা-পদ্মধাৰী।
শ্ৰীধৰ শ্ৰী পীতাম্বৰ জয় হে ধৰণীধৰ
যত দুষ্ট দৈত্য অন্তকাৰী।।

জয় জয় জনাৰ্দন সৰ্ব পাপ বিনাশন
সাধুজন পালন দেৱ।
গোপিনী জীৱনানন্দ গোপী বন্ধু ভৱানন্দ
পৰমাৰ্থ পৰাৎপৰ শিৱ।।

হে জগ জীৱন নমো নমো নাৰায়ণ
সজল জলদ ৰূপশ্যাম।
তেৰি পদ পঙ্কজ ভৱ দুখঃ বিনাশন
গাৱে ভট্টদেৱ অবিৰাম।।

**********************

# প্ৰাৰ্থনা - ৬

## শনিবাৰ

ব্ৰহ্মা আদি কৰি জীৱ যত — ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শৰ্য্যা মাজে আছয় ঘুমটি যাই।
তুমিসে চৈতন্য সনাতন — ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই।।

ক্ষুদ্ৰ সুখে বহু আশা কৰি — ভৱকুপে জীৱ আছে পৰি
কাল সৰ্পে দংশি হৰাইল চেতন তাৰ।
মোক্ষ ৰূপে তযু বাক্যামৃত — কৃপায়ে সিঞ্চিয়া প্ৰতিনিত
দয়াময় কৃষ্ণ কৰিয়ো মোক উদ্ধাৰ।।

সৰোবৰ গ্ৰাহে ধৰি আছে — গজেন্দ্ৰ পীড়াক পায়া পাছে
আকাশে গৰুড় স্কন্ধে চক্ৰ ধৰি হৰি।
দেখি সুৱৰ্ণৰ পদ্ম ধৰি — বোলে দুখঃ আৰ্তনাদ কৰি
নমো ভগৱন্ত গুৰুলৈয়ো দাস কৰি।।

************************

স্থাপিত ঃ ২০২২ চন